# ইজ্ৰা ঃ ঈশ্বৰৰ লোকবিলাকক নতুন কৰা

পৱিত্ৰ আত্মাৰ দ্বাৰাই সমাজে নতুনত্ব পোৱা আৰু ব্যক্তিগত পৰিৰৰ্ত্তন পোৱা।

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন R2b পঢ়া উচিত।




**১। ইজ্ৰাৰ দৰে তোমাৰ মন আৰু অন্তৰ ঈশ্বৰৰ বাক্যৰে যুগুত কৰা।**

বিশ্বাসীবিলাকক তেওঁৰ পৱিত্ৰ আত্মাৰে নিতৌ নতুন কৰিবলৈ ঈশ্বৰৰ সহায় বিচাৰক।

- আপোনাৰ আৰু বিশ্বাসীসকলৰ সীৱন সলনি কৰা পৱিত্ৰ আত্মাৰ শক্তিৰ বাবে প্ৰাৰ্থনা কৰক।

তেওঁ আপোনাক নতুন কৰা বাটত প্ৰতিবন্ধক হোৱা বিষয়বোৰ সৰ্ব্ব শক্তিমান ঈশ্বৰক দেখুৱাবলৈ কওক। সেই বিষয়বোৰ তেওঁৰ আগত স্বীকাৰ কৰক।

খ্ৰীষ্ট্ পূৰ্ব্ব ৪০০ বছৰৰ আগেয়ে ইজ্ৰা পুৰোহিত আৰু তেওঁৰ সহকৰ্ম্মীসকলে ইস্ৰায়েলৰ লোকবিলাকক প্ৰথম, দীঘলীয়া, জীতীয় পৰিৰৰ্ত্তনত চলাই নিছিল। মূৰ্ত্তি পূজক বিলাকক বিয়া কৰা তেওঁলোকৰ অনেক পাপৰ এটা পাপ আছিল।

ইজ্ৰা আৰু লোকবিলাকে কি কৰিছিল বিচাৰ কৰি চাওক। **ইজ্ৰা ৯ঃ১ - ১০ঃ৬ পঢ়ক।**

- ইজ্ৰা ৯ঃ৩-৪ পাপ কৰা বিলাকক তেওঁৰ দুঃখ দেখুৱাবলৈ ইজ্ৰাই কি কৰিছিল।
- ইজ্ৰা ৯ঃ৫-৭ আৰু ১৩-১৫ ইজ্ৰাৰ প্ৰাৰ্থনাৰ স্বীকাৰোক্তি কিমান গভীৰ আছিল।
- ইজ্ৰা ১০ঃ১ লোকবিলাকে কেনেকৈ তেওঁৰ দুঃখ দেখুৱাইছিল।
- ইজ্ৰা ১০ঃ২-৩ চখনিয়াই কি কৰিবলৈ লোকবিলাকক পৰামৰ্শ দিছিল।

**এই গল্প নহিমিয়া ৮ঃ১, ৯ঃ৩ লৈকে গৈছে।**

অনেক নগৰ-চহৰৰ পৰা ঈশ্বৰৰ লোকবিলাক আৰাধনাৰ বাবে গোট খাইছিল।

- নহিমিয়া ৮ঃ১-৩ ঈশ্বৰৰ বাক্যক সন্মান দেখুৱাবলৈ লোকবিলাকে কি কৰিছিল।
- নহিমিয়া ৮ঃ৫-৬ ভক্তসকলে কেনে তিনিধৰণৰ শাৰিৰীক ভঙ্গিমা ব্যৱহাৰ কৰিছিল।
- ইজ্ৰাই অকলে শিকোৱা নাছিল। নহিমিয়া ৮ঃ৭-৮ আন শিক্ষকসকলেও কি কৰিলে চাওক।
- নহিমিয়া ৮ঃ৯ তেওঁবিলাকে শুনোতে লোকবিলাকে কি কৰিলে।
- নহিমিয়া ৯ঃ১-৩ লোকবিলাকে কি স্বীকাৰ কৰিলে।

কেনেকৈ নতুন হোৱা উচিত -নতুন নিয়মেও কয়।

- যোহন ৩ঃ১-৬ আমাৰ জীৱনত নতুন সৃষ্টি কেনেকৈ আৰম্ভ হৈছিল, চাওক।
- ২ কৰন্থিয়া ৫ঃ১৭ প্ৰতিজন বিশ্বাসীৰ জীৱনত ঈশ্বৰে কি নতুন কৰে, চাওক।
- ১ যোহন ১ঃ৮-১০ ঈশ্বৰৰ আগত শুচি হ'বলৈ, আমি কি কৰা উচিত।
- ১ পিতৰ ২ঃ১-৩, ২ টা কাম আমি কৰিবই লাগিব।
- ৰোমীয়া ১২ঃ১-২, ২ টা কাম আমি কৰিবই লাগিব।

গীতমালা ৫১ঃ৯-১০, দায়ূদৰ পাপ স্বীকাৰৰ প্ৰাৰ্থনা **মুখস্থ কৰক।**

**২। সপ্তাহটো আপুনি আৰু বিশ্বাসীবিলাকে কি কৰিব সেই বিষয়ে সহকৰ্ম্মীসকলৰ লগত আঁচনি প্ৰস্তুত কৰক।**

- আপোনাৰ অঞ্চলত থকা আন মণ্ডলী বোৰৰ লগলাগি ইস্ৰায়েল বিলাকে কৰা কাম কৰিবলৈ ঠিক কৰক। আটাইয়ে একেলগে মিলি উপাসনা, পাপ স্বীকাৰ আৰু ঈশ্বৰৰ লগত পুনৰ মিলনৰ আঁচনি কৰক।
- বিশ্বাসত চেঁচা পৰা বিশ্বাসী বিলাকৰ ওচৰলৈ যাওঁক আৰু যীচুত পৱিত্ৰ আত্মাৰ দ্বাৰাই নতুন জন্ম পোৱাত সহায় কৰক।




**৩। আগত হব লগা উপাসনাৰ নিমিত্তে আপোনাৰ সহকৰ্ম্মীসকলৰ লগত আঁচনি প্ৰস্তুত কৰক।**

কোনো এজনক ইজ্ৰাৰ কাহিনীটি পঢ়িবলৈ কওক। তেওঁ ইয়াক মুখস্থ অথবা নাটক কৰি দেখুৱাব পাৰে।

ইজ্ৰা ৮ আৰু ৯ অধ্যায়ৰ প্ৰথম খণ্ডত আপুনি কি পালে প্ৰশ্ন কৰক।

সকলোকে প্ৰাৰ্থনা আৰু পাপ স্বীকাৰ কৰিবলৈ আহ্বান কৰক। তেওঁলোকৰ ব্যক্তিগত পাপ যেনে ঃ- ইন্দ্ৰিয় জনিত পাপবোৰ ঈশ্বৰৰ আগত গুপুতে স্বীকাৰ কৰিবলৈ কওক।

নতুনত্ব পাবলৈ তেওঁবিলাকে কি কৰিব লাগে কওক। দলগত হিচাপে ইজ্ৰাৰ লোক বিলাকে কি কৰিছিল তাক ঈশ্বৰৰ লোকবিলাকে কৰা উচিত।

- ঈশ্বৰৰ বাকৰ মনোযোগেৰে শুনক আৰু পালন কৰক।
- আমাৰ পাপবোৰ ঈশ্বৰৰ আগত স্বীকাৰ কৰক আৰু পৱিত্ৰ আত্মাৰ সহায়েৰে আঁতৰি আহক।
- ইজনে সিজনৰ আৰু ঈশ্বৰৰ লগত এক গুৰুত্বপূৰ্ণ চুক্তি কৰক, যেন এনে পাপবোৰ সদায় স্বীকাৰ কৰা হয় আৰু খ্ৰীষ্টৰ পৰা নতুনত্ব লাভ কৰে।

তেওঁলোকক নতুনত্ব প্ৰদান কৰিবলৈ বিশ্বাসীসকলক এক গুৰুত্বপূৰ্ণ চুক্তি কৰিবলৈ কওক।

- চুক্তি মানে কি আলোচনা কৰক। এক গুৰুত্বপূৰ্ণ বন্দোৱস্ত যাক আটাইয়ে কৰে।
- ইজ্ৰা আৰু তেওঁবিলাকে কি কৰিছিল তাক বিশ্বাসীসকলক এজনে আনজনৰ লগত আৰু ঈশ্বৰৰ লগত একমত হ'বলৈ কওক।
- প্ৰতিদিনে পাপ স্বীকাৰ কৰাত সন্মত হওক আৰু পৱিত্ৰ আত্মাক আমাৰ অন্তৰবোৰ সলনি কৰিবলৈ কওক।
- ২ কৰন্থীয়া ৪ঃ১৬ পদটো আটাইকে মুখস্থ কৰিবলৈ শিকাওক। "এই কাৰণে আমি নিৰুৎসাহ নহওঁ; কিন্তু আমাৰ বাহ্যিক পুৰুষ নষ্ট হৈ গৈছে, তথাপি আমাৰ আন্তৰিক পুৰুষ দিনে দিনে নতুন হৈ গৈছে।"

ৰজাই কেনেকৈ ইস্ৰায়েললৈ নতুনত্ব আনিছিল সেই বিষয়ে কবলৈ অথবা নাটক কৰিবলৈ ল'ৰা-ছোৱালীৰ শিক্ষকৰ লগত যোগাৰ কৰক।

**প্ৰভুৰ ভোজ আৰম্ভ কৰিবলৈ, ইজ্ৰা ৬ঃ১৯-২১ পদত কি ঘটিছিল চমুকৈ বৰ্ণনা কৰক।**

- তেওঁলোকে নিস্তাৰ পৰ্ব্বৰ মেৰ পোৱালী খাই উৎসৱ পাতিছিল। আজি, খ্ৰীষ্ট আমাৰ নিস্তাৰ পৰ্ব্বৰ মেৰ।
- পুৰোহিতে প্ৰথমে নিয়মমতে গা ধুইছিল। আজিকালি আমি পাপ স্বীকাৰ কৰি পৰিষ্কৃত হওঁ।

লোকবিলাকে ওচৰ চুবুৰীয়া বিজাতীয় লোকৰ বেয়া অভ্যাসবোৰৰ পৰা পৃথক হৈছিল যাতে তেওঁলোকে নিস্তাৰ পৰ্ব্বৰ ভোজ যোগ্যমতে গ্ৰহণ কৰিব পাৰে। আজি আমি এজনে আন জনৰ প্ৰতি মৰম-প্ৰেম দেখুৱাই প্ৰভুৰ ভোজ যোগ্যমতে গ্ৰহণ কৰো।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net